# জাননী

তাৰিখ – ১৩/০৫/২০২৬

ইয়াৰ দ্বাৰা জনোৱা হ'ল যে ২০২৬-২০২৭ শিক্ষাবৰ্ষত Dhing College-ৰ প্ৰথম ষান্মাসিক (FYUGP)-ত নামভৰ্তি কৰিবলৈ ইচ্ছুক সকলো শিক্ষাৰ্থীয়ে তলত উল্লেখ কৰা চৰ্তসমূহ পূৰণ কৰিব লাগিব—

১. উচ্চ মাধ্যমিক পৰীক্ষাত ন্যূনতম ৫০% নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকল মেজৰ (Major) বিষয়ত নামভৰ্তিৰ বাবে যোগ্য বিবেচিত হ'ব। অৱশ্যে, কিছুমান বিভাগত ন্যূনতম নম্বৰৰ প্ৰয়োজনীয়তা বিভাগীয় মুৰব্বীৰ বিবেচনাৰ ওপৰত নিৰ্ভৰশীল হ'ব।

২. নামভৰ্তি হোৱা সকলো শিক্ষাৰ্থীৰ বাবে Induction Programme-ত উপস্থিতি বাধ্যতামূলক হ'ব।

৩. Induction Programme চলি থকা সময়ছোৱাত শিক্ষক-অভিভাৱক সভাও আয়োজন কৰা হ'ব।

৪. নামভৰ্তিৰ পিছত শিক্ষাৰ্থীসকলে Induction Programme আৰু শিক্ষক-অভিভাৱক সভাৰ তাৰিখ জানিবলৈ নিয়মিতভাৱে Dhing College Website (www.dhingcollege.edu.in) অনুসৰণ কৰিব লাগিব।

৫. Dhing College-ৰ **বিনামূলীয়া নামভৰ্তিৰ সুবিধা গ্ৰহণ কৰা** সকলো শিক্ষাৰ্থীয়ে এটা **গছৰ পুলি লৈ আহি মহাবিদ্যালয় চৌহদৰ নিৰ্দিষ্ট স্থানত** ৰোপণ কৰিব লাগিব আৰু গছ ৰোপণ কৰি থকা ফটোখন অন্যান্য প্ৰয়োজনীয় নথিপত্ৰৰ সৈতে জমা দিব লাগিব।

অধ্যক্ষ

ধিং মহাবিদ্যালয়, ধিং

Principal
Dhing College